**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-03-2026
**Time :** 21-25 Hrs

**ASSAMESE NIGHT BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

বিধানসভা নিৰ্বাচনৰ বাবে শাসক-বিৰোধী উভয় পক্ষই প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি লামডিঙত দলীয় প্ৰাৰ্থী শিবু মিশ্ৰৰ হৈ প্ৰচাৰ চলায়। মুখ্যমন্ত্ৰীগৰাকীয়ে হোজাইত দলীয় প্ৰাৰ্থী শিলাদিত্য দেৱৰ হৈ প্ৰচাৰত ভাগ লয়। ইয়াৰ আগেয়ে ডঃ শৰ্মাই নগাঁও বটদ্ৰৱা বিধানসভা সমষ্টিত বিজয় সংকল্প সভাতো অংশ লয়। অনুষ্ঠানত দিয়া ভাষণত তেওঁ জনসাধাৰণক উন্নয়নৰ স্বাৰ্থত দলটোক ভোটদান কৰিবলৈ আহ্বান জনায়।

বিজেপি আৰু কংগ্ৰেছ দলে প্ৰচাৰৰ বাবে ৪০ জনকৈ তাৰকা প্ৰচাৰকৰ নামৰ তালিকা প্ৰকাশ কৰিছে। এই অনুসৰি বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১, ৫ আৰু ৬ এপ্ৰিলত নিৰ্বাচনী সভাত অংশ ল'ব।

ooooo

ৰাজ্যৰ মুঠ ১২৬টা বিধানসভা সমষ্টিৰ ১২৬টা সমষ্টিত মনোনয়ন পত্ৰ পৰীক্ষা কৰাৰ অন্তত ৭৮৯ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ বিবেচিত হৈছে। দুগৰাকী প্ৰাৰ্থীৰ বিৰুদ্ধে অভিযোগ-প্ৰতি অভিযোগৰ পৰিপ্ৰেক্ষিতত কালি মনোনয়ন পত্ৰৰ পৰীক্ষা স্থগিত ৰখা শোণিতপুৰৰ ঢেকিয়াজুলি সমষ্টিৰ দুয়োগৰাকীৰে মনোনয়ন বৈধ বুলি ঘোষণা কৰা হৈছে। ২৪ নম্বৰ বৰপেটা সমষ্টিত এখন মনোনয়ন পত্ৰ বাতিল কৰা হৈছে আৰু ৩ খন বৈধ বিবেচিত  হৈছে। মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ সময় কাইলৈ বিয়লি ৩ বজা পৰ্যন্ত নিৰ্ধাৰণ কৰা হৈছে।

ooooo

নিৰ্বাচন শান্তিপূৰ্ণভাৱে পৰিচালনাৰ বাবে বিভিন্ন জিলা প্ৰশাসনে পূৰ্ণগতিত প্ৰস্তুতি অব্যাহত ৰাখিছে। কোকৰাঝাৰ জিলাৰ কচুগাওঁ, দোতমা আদি উন্নয়ন খণ্ডত ভোটাৰসকলৰ মাজত সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত হয়। যোৰহাট জিলাৰ পূৱ যোৰহাট উন্নয়ন খণ্ডতো সজাগতামূলক পদযাত্ৰা অনুষ্ঠিত হয়। জিলাখনৰ ৮ টা দুগ্ধ বিক্ৰী কেন্দ্ৰ আৰু এটা দুগ্ধ সংগ্ৰহ কেন্দ্ৰত সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

শিৱসাগৰ জিলাত নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰা হৈছে। জিলাখনৰ আৰক্ষী অধীক্ষক পাপৰি চেতিয়াই শান্তিপূৰ্ণ, নিৰপেক্ষ আৰু নিৰ্ভীক পৰিবেশত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ বিভিন্ন ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি প্ৰকাশ কৰিছে। তেওঁ কয় যে জিলাখনত ১৮ টা কেন্দ্ৰীয় নিৰাপত্তা বাহিনীৰ কোম্পানী মোতায়েন কৰা হৈছে।

বাক্সা জিলাৰ বাগানপাৰাত আজি অসম বিধানসভাৰ অধ্যক্ষ তথা তামুলপুৰ বিধানসভা সমষ্টিৰ বিজেপি দলৰ প্ৰাৰ্থী বিশ্বজিৎ দৈমাৰীয়ে নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে।

ooooo

ছিংগাপুৰৰ ক'ৰনাৰ্ছ আদালতে অসমৰ জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত ৰায়দান কৰি শিল্পীগৰাকীৰ আকস্মিকভাৱে পানীত বুৰি মৃত্যু হৈছিল বুলি প্ৰকাশ কৰিছে। এই ঘটনাত হত্যা কাণ্ড বুলি অভিহিত কৰিব পৰাকৈ কোনোধৰণৰ তথ্য-প্ৰমাণ পোৱা নাই বুলি উল্লেখ কৰি আদালতৰ ৰায়টোত জুবিন গাৰ্গৰ মৃত্যুক দুৰ্ভাগ্যজনক আৰু আকস্মিক বুলি আখ্যা দিয়া হৈছে। শিল্পীগৰাকীৰ মৃত্যু ষড়যন্ত্ৰৰ ফলত সংঘটিত হোৱা বুলি উত্থাপিত অভিযোগ সন্দৰ্ভত গ্ৰহণ কৰা কেইবাটাও শুনানিৰ অন্তত আদালতখনে ছিংগাপুৰৰ ক'ষ্ট গাৰ্ডৰ তথ্যক সমৰ্থন কৰি তেওঁক হত্যাৰ অভিযোগ নাকচ কৰে। পানীত থকাসকলে ইচ্ছাকৃতভাৱে জুবিন গাৰ্গক মৃত্যুৰ মুখলৈ ঠেলি দিয়া নাছিল বুলিও আদালতৰ ৰায়দানত উল্লেখ কৰা হৈছে। আদালতৰ এই শুনানিত জুবিন গাৰ্গৰ খুড়াক মনোজ বৰঠাকুৰ আৰু তেওঁৰ পুত্ৰসম ৰাহুল গৌতম শৰ্মা উপস্থিত আছিল।

উল্লেখযোগ্য যে যোৱা ১৯ ছেপ্তেম্বৰত ৰহস্যজনক অৱস্থাত অসমৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যু ঘটিছিল। এই ঘটনাক মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই হত্যা বুলি অভিহিত কৰাৰ লগতে অসম আৰক্ষীৰ বিশেষ অনুসন্ধানকাৰী গোটে ঘটনাটোৰ তদন্ত কৰি ১২ হাজাৰ পৃষ্ঠাৰ অভিযোগনামা দাখিল কৰিছিল। ছিংগাপুৰৰ ক'ৰনাৰ্ছ আদালতৰ ৰায়দান সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে এনেদৰে কয়।

**বাইট মুখ্যমন্ত্ৰী**

০০০০০

ব্ৰহ্মপুত্ৰ আৰু সোৱনশিৰি নদীৰ মাজৰ ঢকুৱাখনাৰ চাৰিকৰীয়া নৈৰ পাৰৰ মহঘুলি চাপৰিৰ স্থায়ী বাকৰিত অহা ৮, ৯ আৰু ১০ মে'ত ফাট বিহুৰ আয়োজন কৰা হৈছে। ঢকুৱাখনা ৰাজহুৱা খেলপথাৰৰ সমীপৰ ফাট বিহু উদ্‌যাপন সমিতিৰ কাৰ্যালয় আজি অভিনেত্ৰী প্ৰস্তুতি পৰাশৰে উদ্বোধন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰি অভিনেত্ৰীগৰাকীয়ে ফাট বিহু অসমৰ সংস্কৃতিক জগতৰ অনন্য আৰু আকৰ্ষণীয় অনুষ্ঠান বুলি উল্লেখ কৰে।

০০০০০

ঃঃ সমাপ্ত ঃঃ